# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৬০/২০২০

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে আগবঢ়ালে বৰঙনি

**দিছপুৰ, ৬ এপ্ৰিলঃ** কভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে বৰঙনি আগবঢ়াই আছে। অলপতে জ্যোতি লেব্চ লিমিটেডে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অনলাইন যোগে ১ কোটি টকাৰ বৰঙণি আগবঢ়োৱাৰ পিছত আজি হনুমান সেৱা নিধি ট্ৰাষ্টে ১১ লাখ টকাৰ বৰঙনি আগবঢ়ায়। ইয়াৰ উপৰি আজি ৰুকছান ইংলেণ্ডে ৪০ হাজাৰ টকা, জনিয়া সত্ৰ সমিতিয়ে ৫৫ হাজাৰ ৫৫৫ টকা, মঞ্জু দত্ত বৰুৱাই ২০ হাজাৰ টকা আৰু শিৱ এন্টাৰপ্ৰাইছে ১ লাখ টকাৰ বৰঙণি আগবঢ়ায়। তদুপৰি অসম আৰোগ্য নিধিলৈ পূব গুৱাহাটী বিহু সন্মিলনীয়ে আজি ৫০ হাজাৰ টকাৰ বৰঙনি আগবঢ়ায়।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**৬/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in